# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-March-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। বিধানসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলৰ তৎপৰতা অব্যাহত। বজালী, টিহু আৰু নলবাৰী সমষ্টিক সামৰি আজি বিজেপিৰ জন আশীৰ্বাদ যাত্ৰা।

২। অসমৰ পঞ্চায়তীৰাজ প্ৰতিষ্ঠান তথা স্থানীয় গ্ৰাম্য সংস্থাৰ বাবে কেন্দ্ৰৰ ২৫৬ কোটি ৬০ লাখ টকা মুকলি।

৩। অসমৰ বিভিন্ন আদালতত ফেব্ৰুৱাৰী পৰ্যন্ত পাঁচ লাখ ৭২ হাজাৰতকৈ অধিক নিষ্পত্তিবিহীন গোচৰ।

৪। সংসদৰ বাজেট অধিৱেশনৰ দ্বিতীয় পৰ্যায় আজি আৰম্ভ।

*আৰু*

৫। আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত তৃতীয়বাৰৰ বাবে খিতাপ জয় কৰি ভাৰতৰ ইতিহাস ৰচনা।

০০০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত ৰাজনৈতিক দলসমূহৰ মাজত নিৰ্বাচনী তৎপৰতা পৰিলক্ষিত হৈছে। বিজেপিয়ে জন আশীৰ্বাদ যাত্ৰাৰ জৰিয়তে জনতাৰ কাষ চপাৰ চেষ্টা কৰাৰ সমান্তৰালকৈ বিৰোধী দল কংগ্ৰেছে সময় পৰিৱৰ্তন যাত্ৰাৰ জৰিয়তে ভোটদাতাক আকৰ্ষণৰ বাবে চেষ্টা চলাইছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি মাৰ্ঘেৰিটা, ডিগবৈ আৰু মাকুম সমষ্টিত জন আশীৰ্বাদ যাত্ৰাত অংশ লয়। আজি বিজেপিৰ জন আশীৰ্বাদ যাত্ৰাই বজালী, টিহু আৰু নলবাৰী সমষ্টিক সামৰি ল'ব। এই যাত্ৰাত মুখ্যমন্ত্ৰী ড° শৰ্মাই অংশগ্ৰহণ কৰিব।

প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে কালি নতুন বৰ অসম যাত্ৰাৰ অংশ হিচাপে মৰাণৰ তিলৈত আয়োজিত চাহ মজদুৰ আদিবাসীসকলৰ মহা সন্মিলনত অংশগ্ৰহণ কৰে।

নিৰ্বাচনৰ সময় চমু চাপি অহাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলত নেতা-কৰ্মীৰ পদত্যাগ, যোগদান আদিও অব্যাহত আছে। অগপৰ সদ্য পদত্যাগী নেতা জয়ন্ত খাউণ্ডে আজি নতুন দিল্লীত কংগ্ৰেছ দলত যোগদান কৰিব। উল্লেখযোগ্য যে সমাগত বিধানসভা নিৰ্বাচনত কেইবাটাও বিৰোধী দলে মিত্ৰতা কৰাৰ চৰ্চা চলি আছিল যদিও ৰাজ্যৰ প্ৰধান বিৰোধী দল কংগ্ৰেছৰ সৈতে ৰাইজৰ দলে মিত্ৰতা নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। কালি দলটোৱে এটা বিবৃতিযোগে বিধানসভা নিৰ্বাচনত কংগ্ৰেছৰ সৈতে মিত্ৰতা নকৰাৰ কথা আনুষ্ঠানিকভাৱে প্ৰকাশ কৰাৰ লগতে কেইবাটাও সমষ্টিত নিজাববীয়াকৈ প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ কথা ঘোষণা কৰিছে।

০০০০০০

অসমৰ পঞ্চায়তীৰাজ প্ৰতিষ্ঠান তথা স্থানীয় গ্ৰাম্য সংস্থাসমূহৰ বাবে কেন্দ্ৰীয় চৰকাৰে ১৫ সংখ্যক বিত্ত আয়োগৰ অনুদানৰ ২৫৬ কোটি ৬০ লাখ টকা মুকলি কৰি দিছে। ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে আগবঢ়োৱা এই ধনৰাশি ২৭ খন জিলা পঞ্চায়ত, ১৮২ টা ব্লক পঞ্চায়ত, দুহেজাৰ ১৯২ খন গাঁও পঞ্চায়ত আৰু তিনিখন স্বায়ত্ব শাসিত জিলা পৰিষদ ক্ৰমে- বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদ, কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদ আৰু ডিমাহাচাও স্বায়ত্ব শাসিত পৰিষদৰ বাবে আগবঢ়োৱা হৈছে। তদুপৰি ২০২৫-২৬ বিত্তীয় বৰ্ষৰ আনটাইড অনুদানৰ প্ৰথম কিস্তিৰ ৪২ কোটি ৭০ লাখ টকাৰ বাকী থকা অংশ অতিৰিক্তভাৱে তিনিখন স্বায়ত্ব শাসিত পৰিষদলৈ মুকলি কৰা হৈছে।

০০০০০০

অসমৰ বিভিন্ন আদালতত যোৱা ফেব্ৰুৱাৰী পৰ্যন্ত পাঁচ লাখ ৭২ হাজাৰতকৈ অধিক গোচৰ নিষ্পত্তি নোহোৱাকৈ আছে। ইয়াৰ ভিতৰত কেইবা হাজাৰো গোচৰ ১০ৰ পৰা ২০ বছৰ পুৰণি। ন্যায়িক বিভাগৰ তথ্য অনুসৰি যোৱা ৯ ফেব্ৰুৱাৰী পৰ্যন্ত ৰাজ্যৰ বিভিন্ন আদালতত পাঁচ লাখ ৭২ হাজাৰ ৮৬৭ টা গোচৰ নিষ্পত্তি নোহোৱাকৈ আছে। ইয়াৰ ভিতৰত ৫৪ হাজাৰ ৭৭৮ টা গোচৰ পাঁচ বছৰ পুৰণি। একেদৰে ১০ বছৰৰো অধিক পুৰণি ন হাজাৰ ৫৬৪টা গোচৰ এই পৰ্যন্ত নিষ্পত্তি নোহোৱাকৈ আছে। আদালতত নিষ্পত্তি নোহোৱাকৈ থকা গোচৰসমূহৰ ভিতৰত অধিকাংশ হৈছে ফৌজদাৰী গোচৰ।

০০০০০০

ৰাজ্যৰ ৪০ লাখ হিতাধিকাৰীক অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ অধীনত কাইলৈ ৯ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। সমাজ কল্যাণৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে ৰাজ্য চৰকাৰে মুঠ ৩ হাজাৰ ৬০০ কোটি টকা অৰুণোদয় হিতাধিকাৰীৰ বাবে ব্যয় কৰিব। এই উপলক্ষে তিনি হাজাৰ ৮০০ ৰো অধিক স্থানৰ গাঁও পৰিষদ উন্নয়ন সমিতি, স্বায়ত্ত শাসিত পৰিষদ সমষ্টি, গাঁও পঞ্চায়ত, গাঁও উন্নয়ন সমিতি আৰু নগৰীয়া ৱাৰ্ডত আয়োজিত অনুষ্ঠানত হিতাধিকাৰীসকলক ধনৰাশি প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি ফে'চবুক লাইভযোগে এইকথা প্ৰকাশ কৰে।

বাইট

০০০০০০

অসম চাহ উদ্যোগ বিশেষ উদগনি আঁচনি আৰু শিক্ষা ঋণ ৰাজ সাহায্য আঁচনি অভিনন্দনৰ অধীনত আজি আৰ্থিক অনুদান প্ৰদান কৰা হ'ব। দিছপুৰৰ কৰ ভৱনত এই উপলক্ষে দিনৰ ১১ বজাত আয়োজিত অনুষ্ঠানত বিত্তমন্ত্ৰী অজন্তা নেওগ আৰু কাজিৰঙাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা উপস্থিত থাকিব। উল্লেখযোগ্য যে অসম চাহ উদ্যোগ বিশেষ উদগনি আঁচনিৰ অধীনত অৰ্থডক্স আৰু বিশেষ চাহৰ উৎপাদনক উৎসাহিত কৰাৰ বাবে ২০২৫-২৬ বিত্তীয় বৰ্ষত ৪৮৬ খন চাহ বাগিচাত আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে। একেদৰে অভিনন্দন আঁচনিৰ অধীনত ২০২০-ৰ পৰা ২০২৪ বিত্তীয় বৰ্ষত শিক্ষা ঋণ লৈ বিভিন্ন বিত্তীয় প্ৰতিষ্ঠানৰ পৰা শিক্ষা গ্ৰহণ কৰা ৪৩৭ গৰাকী অৰ্হতাসম্পন্ন শিক্ষাৰ্থীলৈ ৫০ হাজাৰ টকাকৈ এককালীন বিত্তীয় সাহায্য আগবঢ়োৱা হৈছে।

০০০০০০

সংসদৰ বাজেট অধিৱেশনৰ দ্বিতীয় পৰ্যায় আজি আৰম্ভ হ'ব। এই অধিৱেশন অহা ২ এপ্ৰিলত অন্ত পৰিব। বিৰোধী দলে অধ্যক্ষ ওম বিৰলাৰ বিৰুদ্ধে উত্থাপন কৰা অনাস্থা প্ৰস্তাৱ সন্দৰ্ভত আজি লোকসভাত আলোচনা হ'ব। কংগ্ৰেছৰ তিনিজন সাংসদ- মহম্মদ জাভেদ, কে সুৰেশ আৰু মাল্লু ৰবিয়ে সংসদত এই প্ৰস্তাৱ উত্থাপন কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি লোকসভাত পশ্চিম এছিয়াৰ পৰিস্থিতি সন্দৰ্ভত বিবৃতি দাঙি ধৰিব। ইপিনে ৰাজ্যসভাত আজি পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ কাম-কাজ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে যোৱা মাহত অনুষ্ঠিত বাজেট অধিৱেশনৰ প্ৰথম পৰ্যায়ত বিৰোধী পক্ষই অধ্যক্ষক আঁতৰোৱাৰ দাবী জনাই লোকসভাৰ সাধাৰণ সচিবলৈ অনাস্থা প্ৰস্তাৱ প্ৰেৰণ কৰিছিল। এই প্ৰস্তাৱত তেওঁলোকে শ্ৰীবিৰলাৰ বিৰুদ্ধে পক্ষপাতমূলক আচৰণৰ অভিযোগ তুলিছিল। তৃণমূল কংগ্ৰেছৰ বাহিৰে কংগ্ৰেছ, সমাজবাদী পাৰ্টি, ডি এম কে, বাওঁ আৰু অন্যান্য দলৰ ১১৮ জন সাংসদে এই অনাস্থাত সমৰ্থন জনাইছিল।

০০০০০০

নলবাৰী জিলাৰ শোলমাৰাত কালি ভাৰতীয় জনতা যুৱমৰ্চাৰ নলবাৰী জিলা সমিতিৰ উদ্যোগত বৰক্ষেত্ৰী বিধানসভা সমষ্টিভিত্তিত এখন যুৱ সন্মিলন অনুষ্ঠিত হয়। এই সন্মিলনত বিজেপিৰ সাংসদ কামাখ্যা প্ৰসাদ তাচা, ৰাজ্যিক যুৱ মৰ্চাৰ সভাপতি ৰাকেশ দাস, বৰক্ষেত্ৰীৰ প্ৰাক্তন বিধায়ক নাৰায়ণ ডেকা আদি উপস্থিত থাকে। শোলমাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত সন্মিলনত ভাষণ দি যুৱ মৰ্চাৰ ৰাজ্যিক সভাপতি ৰাকেশ দাসে অসমত পুনৰ বিজেপি চৰকাৰ গঠন কৰিবলৈ যুৱ প্ৰজন্মক আহ্বান জনায়।

০০০০০০

ধুবুৰী জিলা পৰিবহণ বিভাগে পথ সুৰক্ষা বিধি বলৱৎ কৰাৰ উদ্দেশ্যে দুদিনীয়াকৈ অভিযান চলায়। এই অভিযানত জিলা পৰিবহণ কৰ্তৃপক্ষই কৰ পৰিশোধ নকৰা, বৈধ পঞ্জীয়ন নথকাৰ দৰে বিভিন্ন নিয়ম উলংঘনৰ অভিযোগত ৩৬ খন ই-ৰিক্সা জব্দ কৰে। জিলাখনৰ সকলো বাহনৰ বকেয়া কৰ পৰিশোধ নিশ্চিত কৰাৰ উদ্দেশ্যে আৰম্ভ কৰা মাহজোৰা প্ৰচেষ্টাৰ অংশ হিচাপে এই অভিযান চলোৱা হয়। জিলা পৰিবহণ বিষয়া দিব্যজ্যোতি কাজিয়ে এই অভিযান সন্দৰ্ভত কয়, যে যান-বাহনসমূহে যাতে পথ সুৰক্ষাৰ সকলো নীতি-নিয়ম যাতে মানি চলে আৰু নিয়মীয়াকৈ যাতে কৰ পৰিশোধ কৰে, সেয়া নিশ্চিত কৰাৰ বাবে এই পদক্ষেপ লোৱা হৈছে। তেওঁ লগতে অনলাইন পৰিবহণ প'ৰ্টেল ব্যৱহাৰ কৰি অথবা জিলা পৰিবহণ কাৰ্যালয়লৈ গৈ বকেয়া পৰিশোধ কৰিবলৈ সকলোকে আহ্বান জনায়।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ডিগবৈত চুতীয়া ৰাণী সতী সাধনীৰ এটা পূৰ্ণাৱয়ব মূৰ্তি উন্মোচন কৰে। চুতীয়া জাতি উন্নয়ন পুঁজিৰে নিৰ্মাণ কৰা বীৰাংগনা সতী সাধনীৰ প্ৰতিমূৰ্তিটো ডিব্ৰুগড়ৰ প্ৰখ্যাত ভাস্কৰ্য শিল্পী যদুমণি গগৈয়ে নিৰ্মাণ কৰিছে। নগৰখনৰ মাজমজিয়াৰ পাঞ্জাব নেচনেল বেংকৰ সমীপত স্থাপন কৰা চুতীয়া ৰাজ্যৰ শেষৰগৰাকী ৰাণী বীৰাংগনা সতী সাধনীৰ এই প্ৰতিমূৰ্তিটোৰে ৰাজ্যৰ প্ৰতিটো প্ৰজন্মক তেওঁৰ প্ৰবল দেশপ্ৰেম আৰু বীৰ গাঁথাৰ কথা সোঁৱৰাই থাকিব।

০০০০০০

ডিব্ৰুগড় লোকসভা সমষ্টিৰ অন্তৰ্গত টিংখাং বিধানসভা সমষ্টিৰ কেইবাটাও পথৰ আধাৰশিলা কালি মন্ত্ৰী বিমল বৰাই স্থাপন কৰে। ইয়াৰে নাওজান আলিমূৰৰ পৰা শালমাৰি চাহ বাগিচা পথ, নামডাং চাৰিআলিৰ পৰা দুই নম্বৰ শ'লগুৰি গাঁও হাতী নামডাং পথ এম এন ৰোডৰ পৰা ৰাংচালী সংযোগী পথ, ১৭ এম এন ৰোডৰ পৰা ঘোঁৰাঘাছ গ্ৰেজিংবাম সংযোগী পথ আৰু বামুনবাৰী বেংগলীপট্টী সংযোগী পথ কেইটাৰ আধাৰশিলা স্থাপন কৰা হয়। মন্ত্ৰী শ্ৰী বৰাই কয়, যে এই পথসমূহৰ নিৰ্মাণ সম্পূৰ্ণ হ'লে বৃহত্তৰ টিংখাং অঞ্চলৰ যাতায়াত ব্যৱস্থাৰ আমূল পৰিৱৰ্তন সাধিত হ'ব।

০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে কোকৰাঝাৰ জিলাত যোৱা শনিবাৰৰ পৰা প্ৰিজাইডিং বিষয়াসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈছে। ভোটগ্ৰহণ প্ৰক্ৰিয়া নিয়াৰিকৈ আৰু সুচাৰুৰূপে সম্পন্ন হোৱাটো নিশ্চিত কৰিবৰ বাবে প্ৰিজাইডিং বিষয়াসকলক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। জিলাখনৰ বড়োলেণ্ড বিশ্ববিদ্যালয় আৰু গোসাঁইগাঁৱত থকা ছেইণ্ট এন্থনীজ মহাবিদ্যালয়ত অনুষ্ঠিত প্ৰশিক্ষণ কাৰ্যসূচীত বিষয়াসকলক নিৰ্বাচনী প্ৰক্ৰিয়া, প্ৰিজাইডিং বিষয়াৰ কৰ্তব্য আৰু দায়িত্ব ইভিএম আৰু ভিভিপেট পৰিচালনাৰ নিয়মকে ধৰি অন্যান্য যাৱতীয় নিয়মাৱলীৰ বিষয়ে অৱগত কৰোৱা হৈছে। জিলা আয়ুক্ত তথা কোকৰাঝাৰ জিলাৰ নিৰ্বাচনী বিষয়া পংকজ চক্ৰৱৰ্তীয়ে এই প্ৰশিক্ষণ কাৰ্যসূচী পৰিদৰ্শন কৰি প্ৰিজাইডিং বিষয়াসকলক নিকা আৰু স্বচ্ছভাৱে নিৰ্বাচনী প্ৰক্ৰিয়া পৰিচালনাৰ গুৰুত্ব সন্দৰ্ভত অৱগত কৰে।

০০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত তৃতীয়বাৰৰ বাবে খিতাপ জয় কৰি ভাৰতে ইতিহাস ৰচনা কৰিছে। যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত ফাইনেলত ভাৰতে নিউজিলেণ্ডক ৯৬ ৰানত হৰুৱাই একেৰাহে দ্বিতীয়বাৰৰ বাবে টী-২০ বিশ্বকাপত চেম্পিয়ন হয়। সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় দলে নিৰ্ধাৰণ কৰি দিয়া ২৫৬ ৰানৰ বৃহৎ লক্ষ্যৰে খেল আৰম্ভ কৰি নিউজিলেণ্ডে ১৯ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই কেৱল ১৫৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। জছপ্ৰীত বুমৰাই ৪টা উইকেট দখল কৰাৰ লগতে অক্ষৰ পেটেলে ৩টা উইকেট লাভ কৰে। বুমৰাক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেটিং কৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ২৫৫ ৰান সংগ্ৰহ কৰে। টি-২০ বিশ্বকাপ ক্ৰিকেটৰ ফাইনেলত এয়া আছিল ভাৰতৰ সৰ্বাধিক ৰান। অপেনাৰ সঞ্জু ছেমছনে

সৰ্বাধিক ৮৯ ৰান কৰাৰ লগতে ঈষাণ কিষাণে ৫৪ আৰু অভিষেক শৰ্মাই ৫২ ৰান কৰে। নিউজিলেণ্ডৰ জেমছ্ নিচমে তিনিটা উইকেট লাভ কৰে। ছেমছ্নক প্লেয়াৰ অৱ দা ছিৰিজ ঘোষণা কৰা হয়।

০০০০০০

NPR/RNU (09-03-2026) MRN.

আই চি চি টী-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতৰ খিতাপ দখল, কাইলৈ অৰুণোদয়ৰ হিতাধিকাৰীক ৩ হাজাৰ ৬০০ কোটি টকা প্ৰদান আদি বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

মধ্যপ্ৰাচ্যৰ সংঘাতে তীব্ৰ ৰূপ ধাৰণ কৰিছে। কালি ইজৰাইলে লেবানন, বেইৰুট আৰু তেহৰানৰ তেল ভাণ্ডাৰত আক্ৰমণ চলোৱাৰ সমান্তৰালকৈ ইৰাণেও ইজৰাইলক প্ৰত্যাক্ৰমণ কৰে। এই বাতৰি **দি আছাম ট্ৰিবিউন** কাকতৰ।

কাইলৈ অৰুণোদয়ৰ হিতাধিকাৰীসকলক ৯ হাজাৰ টকাকৈ বেংক একাউণ্টত দিয়া হ'ব। ইয়াৰ বাবে ৰাজ্য চৰকাৰৰ মুঠ ৩ হাজাৰ ৬০০ কোটি টকা ব্যয় হ'ব। বাতৰিটো **দৈনিক অসম**ৰ লগতে আনবোৰ কাকতেও প্ৰকাশ কৰিছে।

অহা ১৫ মাৰ্চত নিৰ্বাচনী অধিসূচনা জাৰি আৰু ৯ এপ্ৰিলত ৰাজ্যৰ ১২৬ টা সমষ্টিতে ভোটগ্ৰহণৰ সম্ভাৱনা আছে বুলি **আমাৰ অসম** কাকতে বাতৰি প্ৰকাশ কৰিছে।

পুনৰ বহিঃৰাজ্যলৈ গোপনে হাতীৰ সৰবৰাহ কৰা হৈছে। অসমৰ হাতী বাহিৰলৈ সৰবৰাহৰ আঁৰত বৃহৎ ধনৰ লেনদেনৰ অভিযোগেৰে **অসমীয়া প্ৰতিদিন** কাকতে বাতৰি প্ৰকাশ কৰিছে।

বহু প্ৰতীক্ষিত কংগ্ৰেছ আৰু ৰাইজৰ দলৰ মিত্ৰতা সম্ভৱ নোহোৱাৰ এটা বাতৰি **দৈনিক জনমভূমি** কাকতে প্ৰকাশ কৰিছে।

গোৱালপাৰাৰ কুম্ৰি বিলক সংৰক্ষিত বনাঞ্চলৰ স্বীকৃতি দিয়াৰ বাবে ৰাজ্য চৰকাৰে প্ৰস্তাৱ গ্ৰহণ কৰিছে। বাতৰিটো **দা ছেণ্টিনেল** কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

**অসমীয়া খবৰ** কাকতত বিজেপিৰ জন আশীৰ্বাদ যাত্ৰা সন্দৰ্ভত বাতৰি প্ৰকাশ কৰা হৈছে।

**দৈনিক অগ্ৰদূত** কাকতত কাৰ্বি আংলঙৰ ৪৪২ হেক্টৰ বনভূমি ধ্বংস কৰি জলবিদ্যুৎ প্ৰকল্প স্থাপনৰ বাতৰি প্ৰকাশ পাইছে।

টী-২০ বিশ্বকাপ ক্ৰিকেটত ভাৰতীয় দলে বিজয়ী খিতাপ অৰ্জন কৰে। **নিয়মীয়া বাৰ্তা** কাকতৰ লগতে আটাইবোৰ কাকতে আজি এই বাতৰি আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২০ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম আৰু মিজোৰামৰ কিছু কিছু অঞ্চলত পাতলীয়া বৰষুণ আৰু অৰুণাচল, নাগালেণ্ড, মণিপুৰৰ, মেঘালয়, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে বতৰ শুকান হৈ থকাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**